অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/০৫/২০২১
Ref :

তাৰিখ : ৩০-০৭-২০২১
Date :

# হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল
# অসম জাতীয় বিদ্যালয়ৰ ১০০ শতাংশই উত্তীৰ্ণ

**নুনমাটি, গুৱাহাটী, ৩০ জুলাই ঃ** আজি ঘোষণা কৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত অসম জাতীয় বিদ্যালয়ৰ ১০০ শতাংশ শিক্ষাৰ্থী উত্তীৰ্ণ হয়। ঘোষিত ফলাফল অনুসৰি বিদ্যালয়খনৰ ১৩৫ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ২৮ গৰাকীয়ে ডিষ্টিংচন, ৩২ গৰাকীয়ে ষ্টাৰ, ১০৯ গৰাকীয়ে প্ৰথম বিভাগ আৰু ২৬ গৰাকীয়ে দ্বিতীয় বিভাগ লাভ কৰি উত্তীৰ্ণ হয়। অসমীয়া বিষয়ত ৫২ গৰাকীয়ে লেটাৰ নম্বৰ লাভ কৰাৰ বিপৰীতে ইংৰাজী বিষয়ত ৫৪ গৰাকীয়ে, বিজ্ঞান বিষয়ত ৪১, সমাজ বিজ্ঞানত ৪৮ আৰু গণিত বিষয়ত ৪০ গৰাকীয়ে লেটাৰ নম্বৰ লাভ কৰে। বৈকল্পিক বিষয়বোৰৰ ভিতৰত উচ্চ গণিত বিষয়ত ১৪ গৰাকীয়ে, কম্পিউটাৰ বিজ্ঞানত ১৩ গৰাকীয়ে, ভূগোলত ৪, সংগীতত ২, নৃত্যত ১৪, ছবি বিষয়ত ৩, হিন্দী বিষয়ত ৪ আৰু ইতিহাস বিষয়ত ৪ গৰাকী শিক্ষাৰ্থীয়ে লেটাৰ নম্বৰ লাভ কৰে। অৱশ্যে এই ফলাফল আগৰ বছৰবোৰৰ দৰে সন্তোষজনক নহয়। হয়তো হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত হোৱা হ'লে ইয়াতকৈও অধিক উন্নত ফল লাভ কৰিলেহেঁতেন বুলি বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে আশা প্ৰকাশ কৰে।

ঘনশ্যাম মেধি
(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়